Dailyassam.com

# মানৱ ভূগোল
# [ HUMAN GEOGRAPHY ]

## গোট-১
## প্ৰথম অধ্যায়

## প্ৰকৃতি আৰু পৰিসৰ
## [Nature and Scope]

তোমালোকে ইতিপূৰ্বে, "প্ৰাকৃতিক ভূগোলৰ বুনিয়াদ (NCERT 2006) শীৰ্ষক পাঠ্য পুথি খনৰ প্ৰথম অধ্যায়ত উল্লেখিত "ভূগোল এক শিক্ষনীয় বিষয়" পাঠটি পঢ়ি আহিছা। পাঠটিত সন্নিবিষ্ট হৈ থকা বিষয় বস্তুখিনি বাৰু মনত আছেনে? এই পাঠটোত ভূগোলৰ প্ৰকৃতি সম্বন্ধে বিস্তৃত ভাবে বৰ্ণনা কৰা হৈছে। লগতে ভূগোল বিষয়টোৰ পৰা পোখা মেলি আগবাঢ়ি গৈ থকা অন্যান্য প্ৰয়োজনীয় শাখা প্ৰশাখা আদিৰো পৰিচয়ে দাঙি ধৰা হৈছে। পাঠটো, তোমালোকে যদি উপৰ্যুপৰি অধ্যয়ন কৰা, তেন্তে মনত পেলাব পাৰিবা কেনেদৰে 'মানৱ ভূগোল' আৰু মাতৃবিষয় অৰ্থাৎ 'ভূগোল' জড়িত হৈ আছে। তোমালোকে জানা যে ভূগোল বিষয়টোক, সন্মিলিত (Integrated), বাস্তৱধমী (Empirical) আৰু ব্যৱহাৰিক (Practical) হিচাবে অধ্যয়ন কৰিব পৰা যায়। ভূগোল, বহু দূৰলৈ ব্যপ্ত হৈ আছে আৰু সময় ও স্থান অনুযায়ী ঘটি থকা ঘটনাৱলী ভৌগলিক দিশেৰে অধ্যয়ন কৰিব পৰা যায়। ভূ-পৃষ্ঠ বা পৃথিবীৰ ওপৰিভাগ কেনেদৰে বাৰু চাব পাৰি? দুটা মূখ্য উপাদনৰ দ্বাৰা পৃথিবী খনৰ গঠন হৈছে ঃ এটা হল প্ৰাকৃতিক পৰিবেশ আৰু আনটো মানুহৰ লগত সাঙোৰ সাই থকা অন্যান্য জৈৱ প্ৰকৰণবোৰ, এই কথা তোমালোকে বাৰু উপলব্ধি কৰিব পাৰানে? তোমালোকৰ চাৰিওকাযে থকা প্ৰাকৃতিক আৰু মানৱ সৃষ্ট উপাদান সমূহৰ এখন তালিকা প্ৰস্তুত কৰিবা। প্ৰাকৃতিক পৰিবেশৰ অধ্যয়ন প্ৰাকৃতিক ভূগোলৰ বিষয়বস্তু বাবে আৰু প্ৰাকৃতিক আৰু মানৱ জগতৰ আন্তঃসম্পৰ্ক লগতে মানুহৰ কাৰ্যৰ স্থানিক বিতৰণ লগতে পৃথিবীৰ বিভিন্ন অংশৰ, ভিন্ন সামাজিক আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ বিষয়ে মানৱ ভূগোলত অধ্যয়ন কৰা হয়।

ইতিমধ্যে, এটা বিষয়ত সজাগতা তোমালোকৰ নিশ্চয় আছে যে, পৃথিবী আৰু ইয়াত বসবাস কৰি থকা মানুহ আৰু মানুহক জীয়াই থকাত উপঢৌকন যোগোৱা মৌলিক উপাদানৰ বুজ লোৱা কামটোৰ লগতহে ভূগোল বিষয় সংশ্ৰৱ। সেয়ে প্ৰকৃতি আৰু মানুহৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তোমালোকে অনুভব কৰিব পাৰিছা যে ভূগোল দ্বৈত ভাবধাৰাত পৰাভূত (subjected) আৰু অনুশাসন সৃষ্টিকাৰী/অনুশাসনৰ দৰ্শন সম্বন্ধীয় নে বৰ্ণনাত্মক, এই ভাবধাৰাক আধাৰ কৰি বিস্তৃত পৰিসৰত তৰ্ক বিতৰ্কৰ আৰম্ভনি হৈছিল, নাইবা, ইয়াৰ বিষয়বস্তু সমূহ সংগঠিত কৰা উচিত হব নে, আঞ্চলিক অথবা পদ্ধতিগত ভাবে অধ্যয়ন কৰা উচিত হৱ? নাইৰা, ভৌগোলিক সংঘটনৰ ভাঙনি তাত্বিক ভাবে কৰা উচিত হব নে, ঐতিহাসিক আনুষ্ঠানিকতাৰ আধাৰত সুগম কৰিব পৰা যাব? এইবোৰ হ'ল বোধশক্তি সম্পন্ন সকলৰ অনুশীলনৰ বিচাৰ্য বিষয়। কিন্তু পৰিশেষত, প্ৰাকৃতিক আৰু মানব, এই দুটা অংশত পৃথক কৰা কথাটো বৰ সঙ্গত নহয় বুলি তোমালোকে প্ৰশংসিত হ'বা। এই কথা যুক্তি সম্পন্নতাৰে নজৰ কৰা উচিত, কাৰণ প্ৰকৃতি আৰু মানুহ এক অবিচ্ছেদ্য মৌল। এটা আমোদজনক কথা তোমালোকে লক্ষ্য কৰিব পাৰা যে, মানুহৰ দেহবিজ্ঞানৰ (anatomy)-ৰ পৰা উদ্ধৃত চিহ্ন প্ৰয়োগ কৰি উপমা অলংকাৰ আদিৰে প্ৰাকৃতিক আৰু মানব কাৰ্যবোৰৰ বৰ্ণনা হয়। প্ৰায়ে আমি কওঁ, পৃথিবীৰ 'মুখমণ্ডল' (face) ধুমুহাৰ 'চকু', নদীৰ 'মুখ', হিমবাহৰ 'নাক', মোহনাৰ 'গলধন' আৰু স্থলাংশৰ "অবয়ব" তেনেদৰে অঞ্চল বিলাকৰ বৰ্ণনা কৰিবলৈ যাওতে গাওঁ, চহৰ আদিক 'প্ৰত্যঙ্গ' শব্দ ব্যৱহাৰ কৰি বুজোৱা হয়। জাৰ্মান ভুগোলবিদে, ৰাজ্য (দেশ/ আদিক 'জীৱিত প্ৰত্যঙ্গ' বুলি অভিহিত কৰিছে। ৰেলপথ আৰু জলপথ বিলাকক প্ৰায়েই বৰ্ণনা কৰা হয় "প্ৰবাহমান ধমনি" বুলি তোমালোকে নিজৰ ভাষাত এই ধৰণৰ সংজ্ঞা আৰু উক্তি, গোটাব পাৰিবানে? এতিয়া এটা মৌলিক প্ৰশ্নৰ উদয় হব পাৰে, যিহেতু প্ৰকৃতি আৰু মানুহ ইমান জোঁট লগাকৈ সংলগ্ন হৈ আছে, আমি জানো পৃথক কৰিব পাৰিম?

### মানৱ ভূগোলৰ সংজ্ঞা

- 'ভূ-পৃষ্ঠ আৰু মানৱ সমাজৰ মাজত থকা সম্পৰ্কৰ সংশ্লেষিক অধ্যয়নেই হ'ল মানব ভূগোল'। ৰাটজেল।
  উক্ত সংজ্ঞাত, সংশ্লেষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে
- 'বিৰামহীন মানুহ আৰু অস্থিৰ পৃথিবীৰ, সানসলনি হৈ থকা সম্পৰ্কৰ অধায়নকে মানব ভূগোল বোলে'। এলেন চি চেম্প'ল।
  চেম্প'লৰ সংজ্ঞাটোত, সম্পৰ্কৰ লগত সক্ৰিয়তা শব্দটোক সূত্ৰধাৰ বুলিব পাৰি।

Dailyassam.com



- "আমাৰ পৃথিবীত প্ৰভুত্ব বিস্তাৰ কৰি থকা প্ৰাকৃতিক নিয়মৰ বহু সংশ্লেষিক জ্ঞানৰ পৰা উৎপত্তি লাভ কৰা ধাৰণা সমূহ আৰু ইয়াত বসবাস কৰি থকা জীৱৰ মাজৰ সম্পৰ্ক।"

পল ভিডেল ডি লা ব্লাচি

মানৱ ভূগোল, পৃথিৱী আৰু মানবজাতিৰ মাজত থকা আন্তঃ সম্পৰ্কৰ বিষয়ে এটা নতুন ধাৰণাৰ অৱতাৰণা কৰিছে।

## মানৱ ভূগোলৰ প্ৰকৃতি (Nature of Human Geography) ঃ

মানৱ ভূগোলে, ভৌতিক পৰিবেশ আৰু মানৱৰ দ্বাৰা কৃত সামাজিক সাংস্কৃতিক পৰিবেশৰ মাজত থকা আন্তঃসম্পৰ্কৰ আৰু ইটো সিটোৰ মাজত থকা উমৈহতীয়া আন্তঃপ্ৰক্ৰিয়াৰ অধ্যয়ন কৰে।

একাদশ শ্ৰেণীৰ "প্ৰাকৃতিক ভূগোলৰ বুনিয়াদ (NCERT 2006) শীৰ্ষক কিতাপত, তোমালোকে ইতিমধ্যে প্ৰাকৃতিক পৰিবেশৰ উপাদান সমূহৰ বিষয়ে জানিব পাৰিছা, তোমালোকে উপাদান সমূহ ক্ৰমেঃ ভূ-ভাগ, মাটি, জলবায়ু, পানী, স্বাভাবিক উদ্ভিদ, বিভিন্ন বন্যপ্ৰাণী, উদ্ভিদ, বুলিয়ে জানি আহিছা। প্ৰাকৃতিক পৰিবেশে যোগান ধৰা মঞ্চত, মানৱে নিজা কাৰ্যৰ দ্বাৰা সৃষ্টি কৰা উপাদান সমূহৰ এখন তালিকা প্ৰস্তুত কৰিব পাৰিবানে? প্ৰাকৃতিক পৰিবেশৰ পৰা আহৰণ কৰা সম্পদৰ ব্যৱহাৰৰ দ্বাৰা মানুহে ঘৰ, গাওঁ, মহানগৰ, ৰাস্তা ৰেলপথৰ প্ৰসাৰণ, উদ্যোগ, ঘাট, বন্দৰ আৰু দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী আৰু বস্তুনিষ্ঠ সংস্কৃতিৰ বিভিন্ন উপাদান আদিৰ সৃষ্টি কৰিছে। বৃহত্তৰ হাৰত, যেতিয়াই প্ৰাকৃতিক পৰিবেশ মানুহৰ দ্বাৰা পৰিসীমিত হয়, তাৰ ওলোটা প্ৰভাব আকৌ মানুহৰ জীৱনতে পৰে।

## মানৱৰ প্ৰকৃত্যায়ন (Naturalisation of Human) আৰু প্ৰকৃতিৰ মানবায়ন (Humanisation of nature) ঃ

প্ৰযুক্তিবিদ্যাৰ সহায়ত, মানুহে প্ৰাকৃতিক পৰিবেশৰ সৈতে পাৰস্পৰিক ক্ৰিয়া কৰে। মানুহে কি কি উৎপাদন আৰু সৃষ্টি কৰি আহিছে এইটো বৰ দৰকাৰী কথা নহয়, কিন্তু আটাইতকৈ জৰুৰী কথাটো হ'ল কি কি সজুঁলি আৰু প্ৰযুক্তিবিদ্যাৰ আলম লৈ উৎপাদন বোৰ সৃষ্টি কৰি আছে।

প্ৰযুক্তিবিদ্যাই, সমাজ এখনৰ সাংস্কৃতিৰ উন্নয়নৰ স্তৰ সূচায়। প্ৰকৃতিক নিয়ম ধাৰা, ভালদৰে জানিবুজি লৈহে মানুহে প্ৰযুক্তিবিদ্যাৰ বিকাশ সাধিবলৈ সমৰ্থ হৈছে। উদাহৰণ স্বৰূপে, ঘৰ্ষণ (friction) আৰু তাপৰ ধাৰণাই, জুইৰ আবিষ্কাৰ কৰাত সহায় কৰে। তেনেদৰে, DNA আৰু বংশগতি তত্ত্ব ভালদৰে বুজি পোৱাৰ বাবে, আমি বহুটো ৰোগ নিৰ্মূল কৰিব পৰা হ'লো। উৰণ সক্ৰিয়তাৰ নিয়মৰ ব্যৱহাৰৰ দ্বাৰা, আমি দ্ৰুতবেগী উৰাজাহাজ নিৰ্মান কৰিব পৰা হলো। তোমালোকে লক্ষ্য কৰিব পাৰিবা যে, প্ৰযুক্তিবিদ্যাৰ বিকাশ কৰিবলৈ হ'লে, প্ৰকৃতিৰ বিষয়ে জ্ঞান থকাটো অতিশয় প্ৰয়োজনীয় আৰু প্ৰযুক্তিবিদ্যাই, মানুহৰ ওপৰত থকা পৰিবেশিক শিকলিৰ বান্ধোন, ঢিলা কৰি তুলিছে। আদিতে, প্ৰাকৃতিক পৰিবেশত সৈতে আন্তঃক্ৰিয়া কৰোতে, মানুহ, প্ৰকৃতিৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। প্ৰকৃতিয়ে যি দিছিল, তাতেই নিজকে খাপ খুৱাই ৰাখিছিল। কাৰণ, প্ৰযুক্তিবিদ্যা বৰ নিম্নস্তৰৰ আছিল আৰু মানুহৰ সামাজিক উন্নয়নৰ স্তৰো, পৌৰাণিক আছিল। প্ৰাচীন মানৱ সমাজ আৰু প্ৰকৃতিৰ অপৰিসীম শক্তিৰ মাজৰ এনেকুৱা আন্তঃক্ৰিয়াক পৰিবেশিক নিৰ্দ্ধাৰণবাদ / নিয়ন্ত্ৰণবাদ (Environmental Determinision) বোলা হয়। অতি নিম্ন মানৰ প্ৰযুক্তিবিদ্যাৰ স্তৰত থকা, প্ৰকৃতিক কথা শুনা নতুবা প্ৰকৃতিৰ ভয়ঙ্কৰ ৰূপ দেখিলে ভীতগ্ৰস্ত হোৱা আৰু উপাসনা কৰিবলৈ লোৱা, এনে প্ৰকৃতি পৰাভূত মানুহৰ উপস্থিতিৰ বিষয়ে আমি অনুমান কৰিবহে পাৰো।

### মানৱৰ প্ৰকৃত্যায়ন (The Naturalisation of Humans)

'বেন্ডা' নামৰ মানুহজন, মধ্যভাৰতৰ—অবুঝ মাদ্ (Abujh Maad) নামৰ বনাঞ্চলত বাস কৰে। গভীৰ অৰণ্যৰ মাজত থকা তেওঁৰ গাঁৱত, কেৱল তিনিটা পজা ঘৰ আছে, আনকি, চৰাই নতুবা সচৰাচৰ গাঁৱত দেখিবলৈ পোৱা কুকুৰ এটাও তাত দেখা পোৱা নেযায়। ককালত ডুখৰীয়া কাপোৰ পিন্ধি, কুঠাৰেৰে সজ্জিত হৈ তেওঁ লাহে লাহে, পেণ্ডা (জংঘল) খন জুখি মাখি ৰ'ল। তেওঁৰ স্বজাতিয়ে, ইয়াত স্থানান্তৰী কৃষি নামেৰে এটা প্ৰাচীন কৃষি পদ্ধতি কৰে। বেণ্ডা আৰু লগৰীয়া সকলে, বননীৰ এটা অংশ জ্বলাই পুৰি পৰিষ্কাৰ কৰি খেতি কৰে। তাঁৰ ছাঁই ব্যৱহাৰ কৰি মাটিখানিও সাৰুৱা কৰে। বেণ্ডাই, চাৰিওফালে প্ৰস্ফুটিত হৈ থকা মহুয়া গছ বোৰ চাই বৰ সুখী হ'ল। লৰালি কালৰে পৰা তেওঁক সুৰক্ষিত কৰি অহা মহুৱা, পলাশ আৰু শাল গছৰে ভৰা অৰণ্য খনলৈ চাই তেওঁ ভাবিলে "এই সুন্দৰ বিশ্বখনৰ মইও এক অংশ হিচাবে কিমান সে সৌভাগ্যবান"। পিছলি যোৱাৰ দৰেই পেণ্ডাখন পাৰ হৈ বেন্ডা, এখন নদীৰ কাষ পালে। পানী এচলু হাতত তুলি লবলৈ হাউলি আগবাঢ়োতেই, তেওঁৰ বনদেৱতা 'ল'ই লুগিলৈ' মনত পৰিল আৰু তৃষ্ণাৰ্ত অৱস্থাত পিবলৈ পোৱা পানী কেইচলুৰ বাবে মনেৰে, তেওঁলৈ এটা ধন্যবাদ জ্ঞাপন কৰিলে। লগৰীয়া

Dailyassam.com



সকলৰ সৈতে ঘূৰি ফুৰা বেঙাই', ৰসাল জুতিলগা (Succulent) পাত আৰু কিছুমান শিপাঁও চোৱাই থাকিল। তেওঁলোকে অৰণ্যখনৰ পৰা গঝৰা (Gajjhara) আৰু কুছলা (Kuchla) সংগ্ৰহ কৰাৰ চেষ্টাত আছে। এই বিশেষ ধৰণৰ উদ্ভিদবোৰ ৰেঙ্গা আৰু তেওঁৰ লগৰীয়া সকলে ব্যৱহাৰ কৰে। বনদেৱতাৰ কৃপাত এই উদ্ভিদবোৰৰ সন্ধান তেওঁ পাব বুলি আশা ৰাখিছে। সমাগত পূৰ্ণিমাত হ'বলগীয়া **মাঘাই** নামৰ জনজাতীয় উৎসবটোত বিনিময় (সালসলণি)' (Barter) প্ৰথাৰ বাবে এনেবোৰ উদ্ভিদৰ প্ৰয়োজন আছে। বয়োজ্যেষ্ঠ সকলে, এনে উদ্ভিদ পোৱা ঠাইবোৰৰ জ্ঞান দিছিল। তেওঁ চকুহাল মুদি লৈ সেই ঠাইবোৰ, মনত পেলাবলৈ যত্ন কৰিলে, কাৰণ বৰ সাৱধানতাৰে তেওঁ সেই কথাবোৰ শুনা বুলিয়েই আশা কৰে। তেওঁলোকে হঠাতে, পাত কিছুমানৰ খচ্‌খচাই উঠা শব্দ এটা শুনা পালে। ৰেঙ্গা আৰু লগৰীয়া কেইজন খাটাংকৈ গম পালে যে, কোনোবা বাহিৰৰ মানুহৰ, অৰণ্যত প্ৰবেশ ঘটিছে। মুহূৰ্ত্তৰ ভিতৰতে ৰেঙ্গা আৰু লগৰ কেইজন গছৰ ডাঠ হাবিৰ আঁৰত লুকাই পৰিল আৰু বনদেৱতাৰ সৈতে যেন একাকাৰ হৈ ৰ'ল।

উপৰোক্ত বন্ধনীৰ মাজত লিখা গল্পটোৱে অৰ্থনৈতিক দিশত পিছপৰি থকা সমাজ এখনৰ, গৃহস্থ সকলৰ প্ৰকৃতিৰ সৈতে থকা নিবিড় সম্পৰ্ক চিত্ৰিত কৰিছে।

সম্পূৰ্ণভাবে, প্ৰাকৃতিক পৰিবেশৰ লগত সম্বন্ধয় ৰক্ষা কৰা, এনে আন আন পিছপৰা সমাজৰ বিষয়ে অধ্যয়ন কৰা। তেতিয়া তোমালোকে বুজি পাবা যে এই সকলৰ বাবে প্ৰকৃতি হ'ল এক শক্তিশালী বল বা প্ৰয়োগ যাক উপাসনা, শ্ৰদ্ধা আৰু সংৰক্ষণো কৰা হয়। প্ৰাকৃতিক সম্পদৰ বাবে মানব, প্ৰকৃতিৰ ওপৰত প্ৰত্যক্ষভাবে নিৰ্ভৰশীল। প্ৰকৃতিয়ে মানুহক ধাৰণ কৰি আছে। এনে সমাজৰ বাবে ভৌতিক পৰিবেশখিনি 'প্ৰকৃতি মাতৃ' স্বৰূপ'।

সময় বাগৰি যোৱাৰ লগতে, মানুহেও পৰিবেশ আৰু প্ৰাকৃতিক শক্তিৰ জ্ঞান ভালদৰে পাব পৰা হ'ল। সমাজ নাইবা সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ লগে লগে মানুহে, বহুগুনে উৎকৃষ্ট আৰু উপযুক্ততা থকা প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ শিকিলে। প্ৰয়োজনৰ পৰা মুকলি অবস্থালৈ ধাৱমান হ'ল। প্ৰাকৃতিক পৰিবেশৰ সম্ভাৱণীয়তা থকা সম্পদৰ আহৰণ শিকিলে। মানুহে নিজা কৰ্মৰাজীৰে সাংস্কৃতিক স্থলাংশৰ দৃশ্য সলনি কৰিব পৰা হ'ল। মানব কাৰ্যৰ প্ৰতিফলন সকলো দিশতে চিহ্নিত হৈছে; উচ্চভূমিত থকা স্বাস্থ্যনিবাসত, দ্ৰুত গতিত আগবঢ়া নগৰীকৰণত, পথাৰসমূহত, ফলমূলৰ বাগানত, সমতলৰ চৰণীয়া পথাৰত, পাহাৰ বগাই যোৱাত উপকূলস্থিত বন্দৰত, মহাসাগৰৰ ওপৰিপৃষ্ঠত, মহাসাগৰীয় পথ ৰচনা কৰাত আৰু মহাকালত উপগ্ৰহৰ উপস্থাপন কৰা আদিত। পূৰ্বতে বিদ্বত পণ্ডিত সকলোৱে এই বোৰকে সম্ভাৱনাবাদ (Possibilism) বুলি আখ্যা দিছিল। প্ৰকৃতিয়ে সুবিধা দিছে আৰু মানুহে তাৰ বহুল ব্যৱহাৰ কৰি আছে, লাহে লাহে প্ৰকৃতি, মানৱায়ণ প্ৰাপ্ত হৈছে আৰু লগে লগে মানুহৰ কৰ্মপ্ৰসাৰতাৰ সাঁচ বহন কৰা কাৰ্য আৰম্ভ হৈছে।

## প্ৰকৃতিৰ মানবায়ন (Humanisation of Nature)

ট্ৰণ্ডহিম (Trondheim) চহৰৰ শীতকাল মানে ভয়ানক বতাহ আৰু সজোৰে পৰা তুষাৰপাতক বুজায়। ইয়াত বহু মাহ ধৰি আকাশখন আন্ধাৰ হৈয়ে থাকে। কেৰিয়ে, এই আন্ধাৰৰ মাজতো, ৰাতিপুৱা ৮ বজাতে গাড়ী চলাই, কামলৈ ওলাই যায়। তেওঁৰ গাড়ীখনত, শীতকালৰ উপযোগীকৈ অসাধাৰণ টায়াৰ (Tyre) আছে আৰু তেওঁ শক্তিশালী হেডলাইটটোৰ চুইটচ (Switch) চলাই থয়। তেওঁ কাম কৰা অফিচঘৰটো, কৃত্ৰিমভাবে ২৩° ছেলছিয়াছ মানলৈ আৰামদায়ক ভাবে গৰম হৈ থাকে। তেওঁ কাম কৰি থকা বিশ্ববিদ্যালয়খনৰ চৌহদটো, কাঁচেৰে নিৰ্মিত এক প্ৰকাণ্ড অৰ্দ্ধচন্দ্ৰাকাৰ গম্বুজৰ তলত স্থিত। শীতকালত জমা হোৱা বৰফবোৰ এই এই অৰ্দ্ধচন্দ্ৰাকাৰ গম্বুজটোৱেদি বাহিৰ হৈ যায় আৰু গ্ৰীষ্মকালত ইং-সূৰ্যৰশ্মি, ভিতৰত প্ৰবেশ কৰাত সহায় কৰে। বৰ সুন্দৰভাবে শীত তাপ নিয়ন্ত্ৰিত হৈ থকাৰ লগতে পৰ্য্যাপ্ত পৰিমানত পোহৰো পাই থাকে। এনে কঠোৰ বতৰত যদিও কোনো তজবজীয়া শাক-পাচলি আৰু উদ্ভিদ আদি নগজে কেৰিয়ে নিজৰ মেজখনত, এটা গছৰ অৰ্কিড (Orchid) ৰখাৰ ওপৰিও কিছুমান গ্ৰীষ্মকালীন ফল যেনে কল আৰু কিৱি (kiwi) আনি থয় আৰু আনন্দৰে সেৱন কৰে। এই বোৰ বস্তু গ্ৰীষ্ম প্ৰধান অঞ্চলৰ পৰা নিয়মিত ভাবে আমদানি কৰা হয়। কেৰিয়ে মাউচটোক ক্লিক্ কৰি থাকি, নতুন দিল্লীতে থকা আন সহকৰ্মীৰ সৈতে যোগাযোগ ৰাখে। সঘনাই তেওঁ ৰাতি পুৱাতে লণ্ডনলৈ উৰা জাহাজেৰে যাত্ৰা কৰি আকৌ সন্ধিয়াউভটি আহি দূৰদৰ্শনত, নিজৰ প্ৰিয় ধাৰাবাহিক খন উপভোগ কৰে, কেৰিৰ বয়স যদিও আঠাৰন্ন বছৰ পৃথিবীৰ বিভিন্ন প্ৰান্ত থকা আন বহুতো ত্ৰিশ বছৰীয়া মহিলাতেকৈ, দেখিবলৈ লাৱনি হৈ আছে।

এনে জীৱনশৈলী কিহৰ বাবে সম্ভৱ পৰ হৈছে, তোমালোকে অনুমান কৰিব পাৰিছানে? এয়া হ'ল প্ৰযুক্তিবিদ্যাৰ উপয়োগ, যাৰ বাবে ট্ৰনড্‌হিম আৰু এনে আন ঠাইত, প্ৰকৃতিয়ে দিয়া কঠোৰতাক, উপক্ৰমি সক্ষমতা লাভ কৰিব পৰা হৈছে। তোমালোকে এনেকুৱা আন আন পৰিবেশৰ বিষয়ে জানানে? এনে উদাহৰণ বিচাৰি উলিওৱা বৰ কঠিন নহয়।

Dailyassam.com



গ্ৰিফিট্ টেইলৰ (Grifith Taylor) নামৰ ভূগোলবিজ্ঞানী এগৰাকীয়ে অন্য এক ধাৰণাৰ পৰিচয় ডাঙি ধৰিছিল। পৰিবেশিক নিৰ্ণয়বাদ আৰু সম্ভাৱনীয়বাদ, এই দুটা ধাৰণাৰ মধ্যমাৰ্গ (Madhyam Marg) হিচাবে যিটো প্ৰতিফলিত হৈছে। এই ধাৰণাক তেখেতে পৰবৰ্ত্তী নিৰ্দ্ধাৰণবাদ নব্য নিয়ন্ত্ৰনবাদ (Neodeterminism) অথবা ৰোধ আৰু গতি নিয়ন্ত্ৰনবাদ (Stop and go determinism) বুলি আখ্যা দিছিল। তোমালোকৰ মাজৰ যি সকলে মহানগৰীত বাস কৰি আছা নতুবা যি সকলে মহানগৰলৈ গৈছা, ৰাস্তাৰ এটা পাৰৰ পৰা আনটো পথলৈ পাৰ হোৱা যানবাহন বোৰক পোহৰ দেখুৱাই, নিয়ন্ত্ৰণত ৰখোৱা নিশ্চয় নজৰ কৰিছা। ৰঙা পোহৰটোৱে 'গতিৰোধ' কৰাটো বুজায়, জাংফাই (amber) ৰঙৰ পোহৰে ৰঙা আৰু সেউজীয়া পোহৰৰ মাজত থকা ব্যৱধান সূচায় অৰ্থাৎ যাবলৈ সাজু হোৱা বুজায় আৰু সেউজীয়া পোহৰৰ অৰ্থ হ'ল 'গতি' কৰা। খাটাং প্ৰয়োজনৰ (পৰিবেশিক নিয়ন্ত্ৰবাদ) অবস্থান নতুবা খাটাং মুক্ত (সম্ভাবনাবাদ) অবস্থা এই ধাৰণাটোৱে দেখুওৱা নাই। ই ইয়াকে বুজায় যে, মানুহে প্ৰকৃতিক মানি লৈ জয় কৰিব পাৰে। তেওঁলোকে ৰঙা সংকেটক সহাঁৰি জনাব লাগিব আৰু যেতিয়া প্ৰকৃতিয়ে ৰূপান্তৰৰ অনুমতি প্ৰদান কৰিব তেতিয়াহে উন্নয়নৰ দিশে আগবাঢ়ি যাব পাৰিব। ইয়াৰ দ্বাৰা বুজিব পৰা যায় যে, সম্ভাৱনীয়তাবোৰক এটা সীমাৰ ভিতৰত সৃষ্টি কৰিব পৰা যায় যাতে, ইয়াৰ পৰা পৰিবেশৰ কোনো ধৰণৰ ক্ষয়ক্ষতি নঘটে—আৰু দুৰ্ঘটনা নোহোৱাকৈ ৰাখিবলৈ, কোনেও যাতে মুকলি দৌৰ নিদিয়ে। ইতিমধ্যে উন্নয়নগামী অৰ্থনীতিয়ে যি মুক্ত দৌৰ দিয়া আৰম্ভ কৰিছে, তাৰ ফলত সেউজ গৃহৰ প্ৰভাৱ, ওজন স্তৰত ফুটা (বিন্ধা) হোৱা, বিশ্ব উত্তাপন, হিমবাহবোৰ পশ্চাৎগামী হোৱা আৰু ভূমিস্খলন হোৱা দেখিবলৈ পোৱা গৈছে। পৰবৰ্ত্তী নব্যনিয়ন্ত্ৰনবাদ (Neo Determinism) ধাৰণাৰ দ্বাৰা যি কোনো দুটাৰ মাজৰ এটা, অথবা দ্বৈত বাতিল কৰি এক ভাৰসাম্যতা অনাৰ চেষ্টা চলোৱা হৈছে।

## সময়ৰ জলঙাৰে মানৱ ভূগোল (Human Ge9ography through the Corridors of Time) ঃ

ভূ-পৃষ্ঠত মানুহৰ ক্ৰমবিকাশৰ লগে লগে, বিভিন্ন পৰিস্থিতিক (Ecological) খাঁজত (Niches) উপযোগিতা, পৰিবেশৰ সৈতে মিলি থকা আৰু পৰিবেশ ৰূপান্তৰ কৰা প্ৰক্ৰিয়াসমূহৰ আৰম্ভ হৈছিল। এইদৰে আমি যদি মানৱ ভূগোল আৰু পৰিবেশৰ মাজত থকা আন্তঃপ্ৰক্ৰিয়াৰ আৰম্ভণিৰ বিষয়ে অনুমান কৰো বহুদূৰলৈকে ইয়াৰ ইতিহাস শিপাই থকা দেখিম। একেধৰণে যদিও সময় অনুযায়ী সময়ৰ পৰিবৰ্তনৰ লগে লগে মানৱভূগোল অধ্যয়নকৰাৰ বিচাৰপদ্ধতিৰ (approaches) যথেষ্ট সলনি হোৱাটো—পৰিলক্ষিত হৈছে। মানৱ ভূগোলৰ পাৰ্থিৱ জীৱনৰ সৈতে অবিচ্ছিন্ন সম্বন্ধ আছে। নিৰ্দিষ্ট বিচাৰ পদ্ধতি আৰু সময় সাপেক্ষ বিষয়ৰ অধ্যয়নত গতিশীলতা থকা এই শিক্ষনীয় বিষয়টো দৰাচলতে গতিশীল প্ৰকৃতিৰ। পূৰ্বতে বিভিন্ন সমাজ ব্যৱস্থাৰ মাজৰ আন্তঃগাঠনি বৰ কম আছিল আৰু ইটোৰ পৰা সিটোলৈ থকা জ্ঞানৰ পৰিধি সীমিত আছিল। পৰিভ্ৰমণকাৰী আৰু অন্বেষণকাৰী (Explorers) সকলোৱে, ভ্ৰমণ কৰা স্থান বোৰৰ তথ্যপাতি বোৰক প্ৰচাৰ কাৰ্য চলাবলৈ ব্যৱহাৰ কৰিছিল। নৌবাহিনীৰ কাম কৰি থকা সকলৰ কৰ্মকৌশল সেই সময়ত অনুন্নত প্ৰকৃতিৰ আছিল আৰু সমুদ্ৰযাত্ৰা বিপদগ্ৰস্ত আছিল। পোন্ধৰ শতিকাৰ শেষৰ সময় খিনি, ইউৰোপৰ অন্বেষণকাৰী সকলৰ প্ৰচেষ্টাৰ প্ৰত্যক্ষদৰ্শী আছিল। ক্ৰমান্বয়ে দেশ আৰু মানুহৰ বিষয়ে থকা জনশ্ৰুতি আৰু ৰহস্য সমূহৰ বিষয়ে মানুহে জানিবলৈ আৰম্ভ কৰে। উপনিবেশিক যুগে, অঞ্চল সমূহৰ সম্পদ আৰু উদ্ভাৱনীয় তথ্যপাতি গোটাবলৈ অধিকতৰ অন্বেষণৰ প্ৰেৰণা যোগায়। কোনো ধৰণৰ ঐতিহাসিক গূঢ় তথ্যপাতিৰ সম্ভেদ জনোৱা নহয় বৰঞ্চ মানৱ ভূগোলৰ, এক সুস্থিৰ প্ৰক্ৰিয়াৰ বিষয়ে তোমালোকক সতৰ্ক কৰা উদ্দেশ্যহে নিহিত হৈ আছে। সংক্ষেপে প্ৰকাশ কৰা ১.১ নং তালিকাৰ দ্বাৰা তোমালোকক বহল স্তৰত থকা মানৱ ভূগোল, ভূগোলৰ উপশাখা হিচাবে ডাঙি ধৰা হৈছে।

- মানৱ ভূগোলৰ কল্যাণকৰ অথবা মানৱতাবাদ ভাৱধাৰাই প্ৰধানকৈ, মানুহৰ সামাজিক কল্যানৰ গঢ় গতিৰ সৈতে জড়িত হৈ আছিল। ইয়াৰ বিভিন্ন দিশ সমূহ হ'ল ক্ৰমেঃ আবাসগৃহ, স্বাস্থ্য আৰু শিক্ষা। ভূগোলবিজ্ঞানী সকলে ইতিমধ্যে, স্নাতকোত্তৰ শাখাত, সামাজিক কল্যান ভূগোল নামেৰে এটা বিষয়ৰ পাতনি দিছে।
- মৌলিক (Radical) ভাবধাৰাযুক্ত গোটে দৰিদ্ৰতা (Poverty), বঞ্চনা (Deprivation) আৰু সামাজিক অসমতাৰ মূল কাৰণবোৰ বৰ্ণনা কৰিবলৈ, মাৰ্ক্সৰ মতবাদ ব্যৱহাৰ কৰিছিল। প্ৰচলিত সামাজিক সমস্যাবলী ধনতন্ত্ৰবাদৰ (Capitalism) উন্নয়নৰ লগত জড়িত হৈ আছিল।
- আচৰণবাদী ভাৱধাৰাযুক্ত বিদ্যালয়ে, জীৱন্ত অভিজ্ঞতাৰ ওপৰত অপাৰ গুৰুত্ব আৰোপ কৰিছিল, আৰু মানৱজাতি সম্বন্ধীয়, প্ৰজাতি আৰু ধৰ্মৰ ওপৰত আশ্ৰয় কৰি কৰা সামাজিক শ্ৰেণীকৰণৰ দ্বাৰা, স্থানৰ উপলব্ধি কৰাইছিল।

## মানৱ ভূগোলৰ কৰ্মক্ষেত্ৰ আৰু উপকৰ্মক্ষেত্ৰ (Fields and Sub-fields of Human Geography) ঃ

তোমালোকে লক্ষ্য কৰিছা যে, মানৱ ভূগোল মানুহৰ জীৱনৰ সকলোবিলাক উপাদান আৰু তেওঁবিলাকে অধিকাৰ কৰি ৰখা স্থানৰ মাজত থকা সম্পৰ্কৰ ব্যাখ্যা দিবলৈ যত্ন কৰি আছে।

**■ তালিকা নং ১.১ বিস্তৃত স্তৰসমূহ আৰু মানৱ ভূগোলৰ প্ৰয়োগ**

| **যুগ** (Period) | **বিচাৰ পদ্ধতি** ((Approaching) | **বহুল বৈশিষ্ট্য** (Broad Features) |
|---|---|---|
| উপনিবেশিক যুগ | অন্বেষণ আৰু বৰ্ণনা | সাম্ৰাজ্যবাদ (Imperial) আৰু বেহাৰেপাৰৰ আগ্ৰহে নতুন অঞ্চলবোবৰ **আবিষ্কাৰ আৰু অন্বেষণ** কৰাত তৎপৰ হৈছিল। একোটা অঞ্চলৰ, প্ৰয়োজনীয় বিশ্বকোষ সম্বন্ধীয় বিভিন্ন দিশৰ বৰ্ণনাৰে ভূগোলবিদ সকলে টোকা লিখিছিল। |
| উপনিবেশিক যুগ | আঞ্চলিক বিশ্লেষণ | একোটা অঞ্চলৰ সকলোবিলাক দৃশ্যৰ বিস্তৃতভাবে বৰ্ণনা কৰা হৈছিল। এনেভাবে ধাৰণা কৰা হৈছিল যে সকলো অঞ্চল এক পূৰ্ণাংগৰ (অৰ্থাৎ পৃথিবীখন) অংশস্বৰূপ, সেয়ে অংশ সমূহ সম্পূৰ্ণৰূপে বুজিব পৰাটোৱে হ'ল গোটেই বিশ্বক ভালদৰে বুজি পোৱা। |
| ১৯৩০-ৰ আন্তঃ যুদ্ধকালিন যুগ | অঞ্চলভেদে পৃথক কৰা | মূল বিষয় যিকোনো অঞ্চল একোটাৰ অনন্যতা আছিল চিনাক্তকৰণ কৰাটোত কেন্দ্ৰীভূত আছিল কেনেকৈ আৰু কিয় ই, আনবিলাতকৈ পৃথক আছিল সেইটো হৃদয়ঙ্গম কৰা। |
| ১৯৫০-ৰ শেষৰ পৰা ১৯৬০-ৰ শেষলৈ | স্থানিক সংগঠন | কম্পিউটাৰ আৰু আন আধুনিক পৰিসংখ্যা বিজ্ঞানৰ সঁজুলিৰ ব্যৱহাৰৰ বাবে উল্লেখযোগ্য। মানচিত্ৰ সমূহত প্ৰায়েই পদাৰ্থ বিদ্যাৰ নিয়মাৱলীৰ প্ৰয়োগ কৰিছিল আৰু মানৱ কৰ্মৰ বিশ্লেষণ কৰিছিল। এই দশাটোক পৰিমাপন বৈপ্লৱিক সময় বুলি কোৱা হৈছিল। প্ৰধান উদ্দেশ্য আছিল, মানচিত্ৰ কৰণৰ পদ্ধতিবোৰ চিনাক্ত কৰা আৰু মানুহৰ বিভিন্ন কাৰ্যত সেইবোৰৰ উপযুক্ত ব্যৱহাৰ কৰা। |
| ১৯৭০ দশকত | মানৱতাবাদ মৌলিক আৰু আচৰণ বাদী ভাৱধাৰাৰ উন্মেষ | ভূগোলৰ কাম কৰোতে, পৰিমাপন বিপ্লৱৰ প্ৰতি সৃষ্টি হোৱা অসন্তুষ্টি আৰু মানৱকৰণ নোহোৱা হোৱা ধৰণটোৰ বাবে ১৯৭০-ৰ দশকটোত তিনি প্ৰকাৰৰ নতুন ভাবধাৰাৰ উদ্গমন ঘটে। এই তিনি নৱভাবধাৰাৰ উদ্গমনৰ ফলত সামাজিক, ৰাজনৈতিক, বাস্তৱতাত মানৱ ভূগোলৰ প্ৰাসঙ্গিকতা বহু বৃদ্ধি পায়। এই চিন্তাধাৰাৰ বিষয়ে কিছু কথা বেছিকৈ জানিবৰ বাবে, নিম্নলিখিত ঘেৰৰ মাজত লিখা কথাখিনি আলোচনা কৰা। |
| ১৯০০ দশক | উত্তৰ আধুনিকতাবাদৰ পিছৰ সময়ৰ ভূগোল | মানুহৰ অৱস্থাৰ বৰ্ণনা কৰিবলৈ, যি বৃহৎ সাধাৰণকৰণ আৰু শাশ্বত মতবাদৰ প্ৰযোজ্যতা হৈছিল, সেইবোৰ প্ৰশ্ন মুখামুখি হৈছিল, নিজ স্বত্ব থকা প্ৰত্যেক স্থানীয় প্ৰসঙ্গ, বুজাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। |

এনেদৰে মানব ভূগোলে, এক উচ্চ পৰ্যায়ৰ আন্তঃ শিক্ষাণীয় ভাবধাৰা গ্ৰহণ কৰে। পৃথিবী পৃষ্ঠত থকা মানব উপাদানসমূহক বুজি পাবলৈ আৰু বৰ্ণনা কৰিবলৈ, ই সমাজ বিজ্ঞানৰ আন ভগ্নীসদৃশ শিক্ষনীয় বিষয়ৰ সৈতে লগালগি হবলৈ আৰম্ভ কৰে। জ্ঞানৰ বিস্তাৰৰ লগে লগে, নতুন উপক্ষেত্ৰ কিছুমানৰ প্ৰত্যক্ষ হ'ল আৰু এইয়া মানব ভূগোলৰ ক্ষেত্ৰতো সম্ভৱ হ'ল। আমি মানব ভূগোলৰ ক্ষেত্ৰ আৰু উপক্ষেত্ৰ বোৰক পৰীক্ষা কৰো আহা (তালিকা ১.২)

তোমালোকে লক্ষ্য কৰিবা যে তালিকা খন বৃহৎ আৰু ব্যাপক, ই মানব ভূগোলৰ বিস্তৃত পৰিধি প্ৰতিফলন কৰিছে। উপক্ষেত্ৰ সমূহৰ মাজত থকা সামবোৰ প্ৰায়ে ওপৰাউপৰি হৈছে। তোমালোকক এই কিতাপ খনত, অধ্যায় হিচাপে লিখা কথাই মানৱ ভূগোলৰ বিভিন্ন গঢ়গতিৰ বহুল সুন্দৰ বিস্তাৰিত আৱৰণৰ যোগান ধৰিব। অনুশীলন, সক্ৰিয় কৰ্ম আৰু ক্ষেত্ৰ অধ্যায়ণ সমূহে, তোমালোকক কিছুমান বাস্তবধৰ্মী উপমাৰ যোগান ধৰিব। ইয়াৰ দ্বাৰা বিষয়বস্তুৰ সৈতে হয়তো এক ভাল বুজাপৰাত উপনীত হ'ব পৰা যাব।

**■ তালিকা নং ১.২ মানব ভূগোল আৰু সমাজ বিজ্ঞানৰ শিক্ষণীয় ভগ্নী বিষয়**

| মানৱ ভূগোলৰ ক্ষেত্ৰ সমূহ | উপক্ষেত্ৰ সমূহ | সমাজ বিজ্ঞানৰ শিক্ষণীয় ভগ্নী বিষয়ৰ সৈতে মুখামুখি। |
|---|---|---|
| | — | সমাজ বিজ্ঞান—সমাজ বিদ্যা |
| | আচৰণবাদী ভূগোল | মনোবিজ্ঞান |
| সমাজ ভূগোল | সমাজ যথাৰ্থৰ ভূগোল | কল্যাণকৰ অৰ্থনীতিবিদ্যা |
| | অৱকাশ ভূগোল | সমাজবিদ্যা |
| | সাংস্কৃতিক ভূগোল | নৃতত্ত্ব |
| | লিংগ ভূগোল | সমাজবিদ্যা, নৃতত্ত্ব, নাৰী অধ্যয়ন |
| | ঐতিহাসিক ভূগোল | বুৰঞ্জী |
| | চিকিৎসা ভূগোল | ৰোগ হেত্বৰ্থক Epidemology. |
| নগৰীয় ভূগোল | — | নগৰ অধ্যয়ন আৰু পৰিকল্পনা |
| ৰাজনৈতিক ভূগোল | — | ৰাজনীতি বিজ্ঞান |
| | নিৰ্বাচন সম্বন্ধীয় ভূগোল | চিফ'লজি (Psephology) |
| | সামৰিক ভূগোল | সামৰিক বিজ্ঞান |
| জনসংখ্যাভূগোল | — | জনসংখ্যা বিজ্ঞান |
| বসতি ভূগোল | — | নগৰ/গ্ৰাম্য পৰিকল্পনা |
| অৰ্থনৈতিক ভূগোল | — | অৰ্থনীতি বিদ্যা |
| | সম্পদ ভূগোল | সম্পদ অৰ্থনীতি |
| | কৃষি ভূগোল | কৃষি বিজ্ঞান |
| | উদ্যোগ ভূগোল | ঔদ্যোগীক অৰ্থনীতি |
| | বজাৰ ভূগোল | বেহাবেপাৰৰ অধ্যয়ন, অৰ্থনীতি, বাণিজ্য। |
| | পৰ্যটন ভূগোল | পৰ্যটন আৰু ভ্ৰমণ পৰিচালনা। |
| | আন্তৰ্জাতিক বাণিজ্য ভূগোল | আন্তৰ্জাতিক বাণিজ্য। |

## • অনুশীলনী •

**1. নিম্নলিখিত চাৰিটা বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা।**

(i) নিম্নলিখিত উক্তিসমূহৰ কোনটোৱে ভূগোলক বৰ্ণনা নকৰে ঃ—

(a) এক সম্মিলিত শিক্ষনীয় বিষয়; (b) মানুহ আৰু পৰিবেশৰ মাজৰ আন্তঃসম্বন্ধৰ অধ্যয়ন;

(c) দ্বৈতভাবধাৰাত পৰাভূত; (d) প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ বাবে বৰ্ত্তমান সময়ত প্ৰাসঙ্গিকতা নাই।

(ii) নিম্নলিখিত কোনটো ভৌগোলিক তথ্যৰ উৎস নহয় ঃ—

(a) পৰিভ্ৰমণকাৰীৰ টোকা; (b) পুৰনি মানচিত্ৰ;

(c) চন্দ্ৰৰ পৰা লোৱা শৈল পদাৰ্থৰ নমুনা; (d) পৌৰাণিক মহাকাব্য।

(iii) নিম্নলিখিত কোনটো, মানুহ আৰু পৰিবেশৰ মাজত থকা আন্তঃপ্ৰক্ৰিয়াৰ বাবে বহু প্ৰয়োজনীয় কাৰক ঃ—

(a) মানুহৰ বুদ্ধি (b) মানব চেতনা (c) প্ৰযুক্তি (d) মানুহৰ ভাতৃত্ববোধ।

(iv) নিম্নলিখিত কোনটো মানৱ ভূগোলৰ বিচাৰপদ্ধতি নহয় ঃ—

(a) আঞ্চলিক বৈষম্য (b) স্থানিক সংগঠন (c) পৰিমাপন বিপ্লব (d) অন্বেষণ আৰু বৰ্ণনা।

**2. নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ, ৩০টা মান শব্দেৰে লিখা।**

(i) মানব ভূগোলৰ সংজ্ঞা দিয়া।

(ii) মানব ভূগোলৰ কিছুমান উপক্ষেত্ৰৰ নাম লিখা।

(iii) মানব ভূগোল কেনেভাবে আন সমাজ বিজ্ঞানৰ লগত জড়িত?

**3. নিম্নলিখিত প্ৰশ্নকেইটাৰ উত্তৰ—১৫০টা মান শব্দেৰে লিখা।**

(i) মানবৰ প্ৰকৃত্যায়ন ব্যাখ্যা কৰা।

(ii) মানব ভূগোলৰ পৰিসৰৰ ওপৰত এটা টোকা লিখা।

———